**অসম বিধান সভা**
**তৰাবিহীন প্ৰশ্ন নং – ২৮৩**
**উত্তৰ দিয়াৰ তাৰিখ – ১৩/০৭/২০২৬**

*বিষয়ঃ* **বাওখুংগৰী LAC ত ক্ৰীড়া Infrastructure আৰু যুৱ উন্নয়ন ।**
শ্ৰীৰূপম চন্দ্ৰ ৰয়ঃ

মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

বাওখুংগৰী LAC ত ক্ৰীড়া প্ৰতিভা বিকাশ আৰু যুৱ সমাজৰ অংশগ্ৰহণ বৃদ্ধি কৰাৰ উদ্দেশ্যে Sports Infrastructure, Playground development, coaching facility আৰু youth development programme সমূহৰ বৰ্তমান অৱস্থা আৰু আগন্তুক পৰিকল্পনা সদনত দাখিল কৰিব নেকি ?

মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী **শ্ৰীবিশ্বজিৎ দৈমাৰী** মহোদয়ে উত্তৰ দিবঃ

বাওখুংগৰী বিধানসভা সমষ্টিত ক্ৰীড়া প্ৰতিভা বিকাশ আৰু যুৱ সমাজৰ অংশগ্ৰহণ বৃদ্ধি কৰাৰ উদ্দ্যেশ্যে নিম্ন উল্লেখিত আঁচনিসমূহ ৰূপায়ণ কৰিছেঃ

১. অসম চৰকাৰৰ লোকনিৰ্মাণ বিভাগৰ দ্বাৰা SOPD শিতানৰ অধীনত ১১,৯৪,২২,০০০.০০ টকা প্ৰকল্প ব্যয়ৰে বাওখুংগৰী বিধানসভা সমষ্টিত“Construction of Mini Stadium at Maynartal” আঁচনিখনৰ কাম সুচাৰুৰূপে চলি আছে। বৰ্তমান এই ষ্টেডিয়ামখনৰ নিৰ্মাণৰ কামৰ ভৌতিক অগ্ৰগতি ৮৪ শতাংশ। এই নিৰ্মাণ কাৰ্য্য নবেম্বৰ, ২০২৬ ৰ ভিতৰত সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা আছে।

২. ২০২৪-২৫ বিত্তীয় বৰ্ষত বাওখুংগৰী বিধানসভা সমষ্টিৰ Jothai Sports Club লৈ “Providing of Financial Assistance and Sports, Gym Equipment to 126 selected Youth Clubs of the State (LAC wise)” আঁচনিৰ অধীনত ৫ লাখ টকাৰ আৰ্থিক অনুদান, ৫ লাখ টকাৰ ক্ৰীড়া সামগ্ৰী, আৰু ৫ লাখ টকাৰ জিমৰ আহিলা প্ৰদান কৰা হৈছে।

৩. ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগে মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত সমগ্ৰ ৰাজ্যৰে ৫০০ খন খেলপথাৰ উন্নয়নৰ বাবে ১০০ কোটি টকা ব্যয়জড়িত এখন আঁচনি ৰূপায়ণ কৰি আছে। প্ৰতিখন খেলপথাৰৰ বাবে ২০ লাখ টকা ধাৰ্য্য কৰা হৈছে আৰু নিৰ্বাচিত হিতাধিকাৰীসকলক খেলপথাৰ উন্নয়নৰ বাবে বিভাগীয় নিয়মানুসাৰে পুঁজি মোকলাই দি থকা হৈছে।

এই আঁচনিখনৰ অধীনত বাওখুংগৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত কোকৰাঝাৰ উন্নয়ন খণ্ডৰ Ringsar Library & Club-ৰ খেলপথাৰখন উন্নয়নৰ কাৰণে বাচনি কৰি বৰ্তমানলৈ ১৯ লাখ টকা তিনিটা কিস্তিত (প্ৰথম আৰু দ্বিতীয় কিস্তিত ৮ লাখ টকাকৈ আৰু তৃতীয় কিস্তিত ৩ লাখ টকা) মোকলাই দিয়া হৈছে আৰু ১ লাখ টকাৰ ক্ৰীড়া সামগ্ৰী যোগান ধৰা হৈছে। বৰ্তমান খেলপথাৰখনৰ উন্নয়নৰ কাম সম্পূৰ্ণ হৈছে।

৪. বাওখুংগৰী বিধানসভা সমষ্টিত নিম্ন উল্লেখিত শিক্ষানুষ্ঠানসমূহত এটাকৈ ৰাষ্ট্ৰীয় সেৱা আঁচনি (NSS)-ৰ গোট আছেঃ

ক. Fakiragram HS School

খ. Sakti Ashram HS & VOC School

গ. Tulshibil HS School

ঘ. Fakiragram College, Kokrajhar

৫. কোকৰাঝাৰ জিলাৰ দেৰৰগাঁও বিধানসভা সমষ্টিত 73 Assam Battalion NCC গোট আছে। বাওখুংগৰী বিধানসভা সমষ্টিৰ ইচ্ছুক শিক্ষাৰ্থীয়ে NCC-ৰ সা-সুবিধা গ্ৰহণ কৰিব পাৰে।

ক্ৰমশঃ

৬. অসম চৰকাৰৰ ক্ৰীড়া আৰু যুব কল্যাণ বিভাগৰ অধীনত আগন্তক দিনত নিম্ন উল্লেখিত বিষয়সমূহ ৰূপায়ণৰ পৰিকল্পনা কৰি থকা হৈছে -

(ক) খেল মহাৰণ ৩.০ - সমগ্ৰ ৰাজ্যৰ যুৱক-যুৱতীসকলৰ মাজত ক্ৰীড়াৰ বিকাশ, সুপ্ত প্ৰতিভা চিনাক্তকৰণ আৰু ক্ৰীড়া সংস্কৃতি গঢ়ি তোলাৰ উদ্দেশ্যে তৃণমূল পৰ্যায়ৰ পৰা অসমৰ সৰ্ববৃহৎ ক্ৰীড়া প্ৰতিযোগিতা খেল মহাৰণ সফলভাৱে অনুষ্ঠিত কৰি অহা হৈছে। এই ধাৰাবাহিকতা অব্যাহত ৰাখি 'খেল মহাৰণ ৩.০' অনুষ্ঠিত কৰা হ'ব।

(খ) আগন্তক ৫ বছৰত অসম চৰকাৰে অসমৰ প্ৰতিটো বিধানসভা সমষ্টি আৰু প্ৰতিটো ব্লক পৰ্য্যায়ত এটাকৈ ষ্টেডিয়াম নিৰ্মাণৰ পৰিকল্পনা কৰি থকা হৈছে।

(গ) অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ অধীনত ক্ৰীড়াৰ সৈতে জড়িত খালী হৈ থকা সকলো পদ, যেনে **Physical Instructor (P.I.), Coach** আদি, পৰ্যায়ক্ৰমে পূৰণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

*******